**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-JAN-2026
**Time :** 0900 HRS

***Assamese Morning Bulletin***
## HEADLINES

——————————————

১। চীনক চেৰ পেলাই ভাৰতৰ বিশ্বৰ সৰ্বাধিক ধান উৎপাদনকাৰী দেশৰ তালিকাত শীৰ্ষ স্থান দখল।

২। অসমত বিজেপিয়ে অকলেই ৬৯ৰ পৰা ৭৪ খন বিধানসভা আসন লাভ কৰিব বুলি এটা সংস্থাৰ প্ৰাক্ নিৰ্বাচনী সমীক্ষাত অনুমান। প্ৰিয়ংকা গান্ধীক কংগ্ৰেছৰ প্ৰাৰ্থী বাছনিৰ দায়িত্ব।

৩। শিক্ষা বিভাগৰ অধীনৰ চাহ বাগিচাৰ বাবে সংৰক্ষিত পদত অহা ১১ ফেব্ৰুৱাৰীত নিযুক্তি।

৪। খানাপাৰাত চলি থকা অসম গ্ৰন্থমেলাত বিগত ১১ দিনত ৫ কোটি ৭০ লাখ টকাৰো অধিক মূল্যৰ গ্ৰন্থ বিক্ৰী।

**আৰু**

৫। ভাৰতীয় ১৯ বছৰ অনূৰ্ধ ক্ৰিকেট দলৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে জয়লাভ।

oooooo

ভাৰতে চীনক চেৰ পেলাই বিশ্বৰ সৰ্বাধিক ধান উৎপাদনকাৰী দেশৰ তালিকাত শীৰ্ষ স্থান দখল কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ কৃষি গৱেষণা সংস্থা ইউনাইটেড ষ্টেইচ ডিপাৰ্টমেণ্ট অৱ এগ্ৰিকালচাৰৰ সদ্য প্ৰকাশিত প্ৰতিবেদন এই তথ্য প্ৰকাশ কৰা হৈছে। সংস্থাটোৱে যোৱা মাহত প্ৰকাশ কৰা প্ৰতিবেদন অনুসৰি ভাৰতত বৰ্তমান ১৫২ নিযুত মেট্ৰিকটন ধান উৎপাদন হোৱাৰ বিপৰীতে চীনত ১৪৬ নিযুক মেট্ৰিকটন ধান উৎপাদন হৈছে। ইয়াৰ ফলত বিশ্বৰ ধান উৎপাদনৰ ২৮ শতাংশ ভাৰতে কৰিছে। ইপিনে, দেশৰ ভিতৰত পশ্চিমবংগ ধান উৎপাদনৰ ক্ষেত্ৰত শীৰ্ষ স্থানত আছে বুলি সমীক্ষাত প্ৰকাশ পাইছে। ২০২৪-২৫ বিত্তীয় বৰ্ষত উত্তৰ প্ৰদেশ আৰু পঞ্জাবক চেৰ পেলাই পশ্চিমবংগই ২৫৬ দশমিক ৫-৩ লাখ মেট্ৰিকটন ধান উৎপাদনৰ কৰি শীৰ্ষ স্থান দখল কৰিছে। সমীক্ষা মতে, বিশ্বত প্ৰায় ১লাখ ২৩ হাজাৰ প্ৰজাতিৰ ধান পোৱা যায় আৰু ইয়াৰে ৬০ হাজাৰ টা প্ৰজাতিৰ ধান ভাৰতত আছে। তদুপৰি, ভাৰতৰ চাউল ১৭২খন দেশলৈ ৰপ্তানি কৰা হৈছে বুলিও সমীক্ষাত প্ৰকাশ পাইছে। সূত্ৰ অনুসৰি ২০২৪-২৫ বিত্তীয় বৰ্ষত ভাৰতে ৪লাখ ৫০ হাজাৰ ৮৪০ কোটি টকাৰ কৃষি পণ্য ৰপ্তানি কৰিছে আৰু ইয়াৰে ২৪ শতাংশই ধান। তদুপৰি, ভাৰতে বাচমতি আৰু অন্যান্য চাউল ৰপ্তানি কৰি এবছৰত ১লাখ ৫হাজাৰ ৭২০ কোটি টকাৰ বৈদেশিক মুদ্ৰা লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি জৰীপত প্ৰকাশ পাই ছে।

oooooo

ৰাজ্যৰ আসন্ন বিধানসভা নিৰ্বাচনত বিজেপিয়ে অকলেই ৬৯ৰ পৰা ৭৪ খন আসন লাভ কৰিব বুলি প্ৰাক্ নিৰ্বাচনী সমীক্ষাত অনুমান কৰা হৈছে। দেশৰ আগশাৰীৰ পিপল্‌ছ পালছ নামৰ এটা সংস্থাই চলোৱা এই সমীক্ষা অনুসৰি এন ডি এ-য়ে অসমত কমেও ৯০ খন আসন লাভ কৰিব। ইয়াৰ বিপৰীতে কংগ্ৰেছে ২৫ৰ পৰা ২৯ খন আসন লাভ কৰাৰ সম্ভাৱনা আছে। সমীক্ষাত প্ৰকাশ পোৱা মতে আসন্ন নিৰ্বাচনত এ আই ইউ ডি এফ আৰু ইউ পি পি এল দলে ৰাজনৈতিক অস্তিত্ব বৰ্তাই ৰখাৰ বাবে সংগ্ৰাম কৰিবলগীয়া হ'ব পাৰে। কালি পিপল্‌ছ পালছ নামৰ সংস্থাটোৰ প্ৰতিনিধিয়ে এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে।

**বাইট (পিপলছ পালছ)**

উল্লেখযোগ্য যে সংস্থাটোৱে যোৱা ১৫ নৱেম্বৰৰ পৰা ৩১ ডিচেম্বৰলৈ প্ৰায় ৪৫ দিন ধৰি ৰাজ্যৰ ৩৫ খন জিলাত সমীক্ষা চলাই এই তথ্য লাভ কৰিছে।

ইপিনে কংগ্ৰেছে প্ৰিয়ংকা গান্ধীক অধ্যক্ষ হিচাপে লৈ আসন্ন অসম বিধানসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থী বাছনি সমিতি গঠন কৰিছে। সমিতিত সপ্তগিৰি শংকৰ উলাকা, ইমৰাণ মাছুদ আৰু ড০ চিৰিভেল্লা প্ৰসাদক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰদেশ কংগ্ৰেছৰ দায়িত্ববাহী এ আই চি চিৰ সাধাৰণ সম্পাদক, প্ৰদেশ কংগ্ৰেছৰ সভাপতি, কংগ্ৰেছ বিধায়িনী দলৰ নেতা আৰু এ আই চি চিৰ সম্পাদকসকলো প্ৰাৰ্থী বাছনি সমিতিত সহযোগী সদস্য হিচাপে থাকিব।

০০০০০০

শিক্ষা বিভাগৰ অধীনৰ চাহ বাগিচাৰ বাবে সংৰক্ষিত পদত অহা ১১ ফেব্ৰুৱাৰীত নিযুক্তি প্ৰদান কৰা হ'ব। মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজায়ে কালি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে চাহ বাগিচাৰ বাবে সংৰক্ষিত ৩ শতাংশ পদৰ ভিতৰত অহা ১৬ ফেব্ৰুৱাৰীত চতুৰ্থ শ্ৰেণীৰ ১৭ গৰাকী আৰু তৃতীয় শ্ৰেণীৰ পদত ২৬ গৰাকী প্ৰাৰ্থীক নিযুক্তি প্ৰদান কৰা হ'ব। একেদৰে শেহতীয়াকৈ প্ৰকাশিত প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত এ ডি আৰ ই-ৰ নিযুক্তি তালিকা অনুসৰি মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ৯ ফেব্ৰুৱাৰীত চতুৰ্থ পদত ৭৫৬ গৰাকী আৰু ১০ ফেব্ৰুৱাৰীত তৃতীয় শ্ৰেণীৰ পদত ২২৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিব। নিযুক্তি হ'বলগীয়া এই পদসমূহৰ ৩ শতাংশ পদত চাহ বাগিচাৰ প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব।

মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজায়ে চাহ বাগিচাৰ আদৰ্শ বিদ্যালয়ত হান্স ফাউণ্ডেচনৰ জৰিয়তে নিয়োগ কৰা সংগীত শিক্ষকসকলক সেই প্ৰতিষ্ঠানটোৱে দৰমহা আদায় দিব বুলি প্ৰকাশ কৰে। তেওঁ লগতে ২০২২ চনত চাহ বাগিচাত স্থাপন কৰা আদৰ্শ বিদ্যালয়সমূহত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৩১ হাজাৰ ৬০০ লৈ বৃদ্ধি পোৱা বুলি উল্লেখ কৰে।

০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত চলি থকা অসম গ্ৰন্থ মেলাৰ কালি একাদশ দিনালৈকে ৫ কোটি ৭০ লাখ টকাৰো অধিক মূল্যৰ গ্ৰন্থ বিক্ৰী হৈছে বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। শীতকো নেওচি গ্ৰন্থমেলাথলীত বহু লোকৰ সমাগম হয়। কালি গ্ৰন্থমেলাৰ প্ৰাঙ্গনত মহিলাসকলৰ ভিন্ন সুৰী কাৰ্য্যসূচী অনুষ্ঠিত হয়। ইয়াৰ লগতে বিয়লি ৩ বজাৰ পৰা বহুভাষিক কবি সন্মিলন অনুষ্ঠিত হয়। অপৰাজিতা পূজাৰীয়ে সঞ্চালনা কৰা এই অনুষ্ঠানত হায়দৰাবাদৰ বিশিষ্ট কবি ৰমেশ কাৰ্তিক আৰু উত্তৰ প্ৰদেশ আগশাৰীৰ কবি গৌৰৱ পাণ্ডে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। ইয়াৰ পাছতে বিদ্যালয়ৰ সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি গ্ৰন্থমেলাত শিশু দিন উদযাপন কৰা হ'ব। এই কাৰ্যসূচী গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত, কবি-সাহিত্যিক, পাৰ্থসাৰথি মহন্তই উদ্বোধন কৰিব। পুৱা চাৰে ৯ বজাৰ চিত্ৰাংকন প্ৰতিযোগিতা আৰু চাৰে ১১ বজাৰ পৰা মুকলি কুইজ অনুষ্ঠিত হ'ব। বিয়লি ২ বজাত জন্মশতবৰ্ষ উপলক্ষে সুধাকণ্ঠ ড০ ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি আৰু ৫ বজাৰ পৰা সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০০০

গ্ৰন্থৰ ভৱিষ্যত শক্তিশালী কৰাৰ বাবে বিষয়বস্তু আৰু প্ৰকাশৰ দিশৰ পৰা মানসম্পন্ন গ্ৰন্থ সৃষ্টিৰ লগতে পঢ়ুৱৈৰ সৃষ্টিৰ প্ৰয়োজন। আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত গ্ৰন্থবৰ্ষ, গ্ৰন্থৰ চাহিদা আৰু ভৱিষ্যত সম্পৰ্কত এটা আলোচনাত বিশিষ্ট প্ৰকাশক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° সূৰ্যকান্ত হাজৰিকা আৰু লেখক, অনুবাদক মনস্বিনী ৰুণুমী মহন্তই এই কথা প্ৰকাশ কৰে। ড০ হাজৰিকাই গ্ৰন্থসমূহ চিৰস্থায়ীৰূপত সংৰক্ষণ কৰাৰ বাবে গ্ৰন্থ সংগগ্ৰহালয় স্থাপনৰ প্ৰয়োজন বুলি মত প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে বহু পুৰণি আৰু মূল্যবান গ্ৰন্থ শ্ৰেণীবদ্ধ আৰু নিয়াৰিকৈ সংৰক্ষণ কৰি ভৱিষ্যত প্ৰজন্মৰ বাবে সঞ্চয় কৰিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে।

**-বাইট-**

অনুষ্ঠানত নৱ প্ৰজন্মৰ লেখক মনস্বিনী ৰুণুমী মহন্তই অসম চৰকাৰৰ গ্ৰন্থবৰ্ষৰ পদক্ষেপে নৱ প্ৰজন্মৰ লেখকসকলক বিশেষভাৱে উৎসাহিত কৰাৰ লগতে ৰাজ্যত বৌদ্ধিক পৰিবেশ সৃষ্টিত উল্লেখনীয় ভূমিকা লৈছে বুলি মন্তব্য কৰে।

**-ৰাইট-**

অনুষ্ঠানটিৰ প্ৰযোজনা আছিল আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

বায়ুসেনা বাহিনীয়ে তেজপুৰ বায়ুসেনা ঘাটিৰ উন্নয়নৰ বাবে পৰিকল্পনা যুগুতাই উলিয়াইছে। কেন্দ্ৰীয় চৰকাৰে এই উদ্দেশ্যে শোণিতপুৰ জিলাৰ বোকাজান গাঁৱত ৩৮২ দশমিক ৮-২ একৰ ভূমি অধিগ্ৰহণৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰালয়ক অনুমোদন জনাইছে। আন্তঃগাঁথনি উন্নয়ন, অত্যাধুনিক সমৰাস্ত্ৰ প্ৰণালীৰ প্ৰৱৰ্তন আৰু বায়ুসেনা ঘাটিৰ ১১ নম্বৰ শাখাৰ বাবে আনুষংগিক কৌশলত সম্পদ আহৰণৰ বাবে এই ভূমি অধিগ্ৰহণ কৰা হ'ব।

০০০০০০

ৰাজ্যত বৰ্তমানলৈকে এক লাখ ৬০ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হৈছে, যদিও এতিয়াও ১২ লাখ ভূমি দখলমুক্ত কৰিবলগা আছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। দুধনৈত কালি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীত অংশ লৈ সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাজ্যৰ প্ৰতিখন জিলাত দখলীকৃত ভূমিৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলিব। নামনি অসমৰ জিলাসমূহত ভালেসংখ্যক অচিনাকী লোক প্ৰৱেশ কৰি থকা বুলি উঠা অভিযোগ সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰৰ হাতত এতিয়া বহু সুবিধা আছে। তেওঁ কয়, যে কোনো লোক বিদেশী বুলি নিৰ্দিষ্ট অভিযোগ পালে বিদেশী ন্যায়াধীকৰণৰ পৰিৱৰ্তে জিলা আয়ুক্তই বিচাৰ কৰি ২৪ ঘণ্টাৰ ভিতৰতে ব্যক্তিজনক বহিস্কাৰ কৰিব পাৰিব। অনুপ্ৰৱেশকাৰীক চিনাক্ত কৰি বহিস্কাৰ কৰা কাৰ্য উচ্ছেদৰ দৰে ক্ষীপ্ৰতাৰে চলি থাকিব বুলি তেওঁ স্পষ্ট কৰি দিয়ে।

০০০০০০

হোজাই জিলাৰ ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছহেজাৰ বিঘা ভূমি দখল মুক্ত কৰাৰ বাবে প্ৰশাসনে চলোৱা উচ্ছেদ অভিযান শান্তিপূৰ্ণভাবে সম্পন্ন হয়। এই অভিযানৰ জৰিয়তে অঞ্চলটোত ৩০-৪০ বছৰ ধৰি অবৈধভাৱে বাস কৰি থকা এহেজাৰ ২৫০ টা পৰিয়ালৰ ভিতৰত এহেজাৰ ৯৮টা পৰিয়ালক উচ্ছেদ কৰাৰ লক্ষ্য লোৱা হৈছিল। এই অভিযানত ১হেজাৰ ১৬ টা পৰিয়ালক উচ্ছেদ কৰা হৈছে। বন বিভাগে বনাঞ্চলখনত জৰীপ চলাই কেইবাহাজাৰ বিঘা ভূমি অবৈধ দখলকাৰীৰ কবলত থকাৰ তথ্য লাভ কৰাৰ পাছত এহেজাৰ ২০০ৰো অধিক দখলকাৰীলৈ জাননী প্ৰেৰণ কৰিছিল। ইয়াৰে ১৫০টা পৰিয়ালে সকাহ বিচাৰি উচ্চ ন্যায়ালয়ৰ কাষ চপাত সাময়িকভাৱে এই পৰিয়ালকেইটাৰ ভূমিত উচ্ছেদ স্থগিত ৰখা হয়। উচ্ছেদথলীত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰবাবে কেইবাশ আৰক্ষী আৰু চি আৰ পি এফৰ জোৱান নিয়োগ কৰা হয়।

০০০০০০

দক্ষিণ কামৰূপ জিলাৰ ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্গত ঐতিহাসিক চানডুবি বিলৰ পাৰত যোৱা ১ জানুৱাৰীৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত যোড়শ চানডুবি মহোৎসৱৰ কাইলৈ সামৰণি পৰিব। এই মহোৎসৱ উপলক্ষে অঞ্চলটোত উখল-মাখল পৰিবেশে বিৰাজ কৰিছে। পৰ্যটনথলী হিচাপে গঢ় লৈ উঠা চানডুবিলৈ নৱবৰ্ষ উপলক্ষে বহু পৰ্যটক আৰু বনভোজ দলৰ আগমণ হৈছে। এই লোকসকলেও উৎসৱৰ আনন্দ উপভোগ কৰিছে। মহোৎসৱথলীত  বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি, হস্তশিল্প আৰু খাদ্য সম্ভাৰ প্ৰদৰ্শন কৰা হৈছে। ইয়াৰ লগতে সাংস্কৃতিক কাৰ্যসূচীও অনুষ্ঠিত হৈছে।

ইপিনে, গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৩১ ডিচেম্বৰৰ পৰা অনুষ্ঠিত ৰামধেনু উৎসৱৰ আজি সামৰণি পৰিব। এই উৎসৱৰ প্ৰথমদিনা অসমৰ এখন নিভাঁজ গাঁৱক প্ৰতিফলিত কৰি প্ৰদৰ্শনী মুকলি কৰা হয়। কালি উৎসৱৰ অংশ হিচাপে শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত ধ্ৰুপদী ৰংগ, গীতং, বাদং, নৃতং শীৰ্ষক শাস্ত্ৰীয় সংগীতৰ অনুষ্ঠান অনুষ্ঠিত হয়। আজি দিনৰ ১ বজাৰ পৰা কলাক্ষেত্ৰথলী পুতলা নাচ প্ৰদৰ্শন  কৰা হ'ব।

ভাৰতীয় ১৯ বছৰ অনূৰ্ধ ক্ৰিকেট দলে যোৱা নিশা বেননীৰ উইল'মোৰ পাৰ্কত অনুষ্ঠিত  তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন খেলত ঘৰুৱা দল দক্ষিণ আফ্ৰিকাক ডাক ৱৰ্থ লুইছ পদ্ধতিৰ সহায়ত ২৫ ৰানত পৰাস্ত কৰে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৩০০ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ হৰবংশ

পংগালিয়াই ৯৩ আৰু আৰ এছ অন্বৰীশে ৬৫ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ৩০১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ২৭ অভাৰ আৰু ৪টা বলত ৪টা উইকেটৰ বিনিময়ত ১৪৮ ৰান কৰা অৱস্থাত বৰষুণে খেলখনত বিধি পথালি দিয়ে। ইয়াৰ পাছত খেলখন পুনৰ আৰম্ভ কৰিব পৰা নাযায় আৰু ভাৰতক ডাক ৱৰ্থ লুইছ পদ্ধতিৰে বিজয় ঘোষণা কৰা হয়।

০০০০০০

অসম বিজয় হাজাৰে ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত পুনৰ পৰাজয়ৰ সন্মুখীন হৈছে। ৰাজকোটত কালি অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত অসমে পশ্চিমবংগৰ হাতত ৮৫ ৰানত পৰাজিত হয়। খেলখনত অসমে পশ্চিমবংগই নিৰ্ধাৰণ কৰি দিয়া ৩০৩ ৰানৰ বিজয় লক্ষ্য অনুসৰণ কৰি ৪২ অভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২১৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। অসমে এতিয়ালৈকে ৫ খন খেলৰ ভিতৰত মাত্ৰ এখনত বিজয় সাব্যস্ত কৰি গ্ৰুপ-বিৰ পইণ্ট তালিকাৰ সপ্তম স্থানত আছে।

০০০০০০

ৰাজ্যত তৃতীয়বাৰৰ বাবে বিজেপিৰ নেতৃত্বত মিত্ৰজোঁটৰ চৰকাৰ গঠন হ'ব বুলি পিপলছ পাল্‌ছ নামৰ সংস্থাটোৱে ৰাজ্যজুৰি চলোৱা প্ৰাক্ নিৰ্বাচনী সমীক্ষাৰ তথ্যত এই সম্ভাৱনাৰ কথা প্ৰকাশ কৰা বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত তথ্যসহিতে প্ৰকাশ কৰিছে।

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত কালি ৭জন অভিযুক্তৰ বিৰুদ্ধে কামৰূপ মহানগৰ জিলা ছেচন ন্যায়াধীশৰ আদালতত তৃতীয়টো শুনানি গ্ৰহণ কৰা বাতৰিটো **অসমীয়া প্ৰতিদিন, দ্যা চেণ্টিনেল, অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আমেৰিকা যুক্তৰাষ্ট্ৰই ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি নিক'লাছ মাডুৰো আৰু তেওঁৰ পত্নীক কৰায়ত্ত্ব কৰাৰ বাতৰিটো **দি আছাম ট্ৰিবিউন, আমাৰ অসম, দৈনিক অগ্ৰদূত, নিয়মীয়া বাৰ্তা কাক**তে প্ৰথম পৃষ্ঠা ফটোসহকাৰে প্ৰকাশ কৰিছে।

বিধানসভা নিৰ্বাচনৰ প্ৰাক্ মুহূৰ্তত ৰাজ্য চৰকাৰে এহেজাৰ কোটি টকাৰ ঋণ লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

হোজাই জিলাৰ ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ৬হেজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ বাবে প্ৰশাসনে উচ্ছেদ অভিযান শান্তিপূৰ্ণভাবে সম্পন্ন কৰাৰ বাতৰিটো **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

০০০০০০

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে বান তথা জলক্ষেত্ৰৰ দুৰ্ঘটনা প্ৰশমনত সহায় হোৱাকৈ ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী- এছ ডি আৰ এফলৈ ৪০ খন যন্ত্ৰচালিত উদ্ধাৰকাৰী ৰবৰ নাও আগবঢ়াইছে। গুৱাহাটী প্ৰৱেশদ্বাৰত কালি আয়োজিত এটা অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই এছ ডি আৰ এফৰ ব্যৱহাৰৰ বাবে অগ্নি আৰু জৰুৰীকালীন সেৱা বিভাগক আনুষ্ঠানিকভাৱে এই নাওসমূহক গতাই দিয়ে। অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্তই বানৰ উপৰি অন্য দুৰ্যোগ তথা জলক্ষেত্ৰৰ দুৰ্ঘটনাজনিত পৰিস্থিতিত সহজে এঠাইৰ পৰা আন ঠাইলৈ কঢ়িয়াই লৈ যাব পৰা এই নাওসমূহে এছ ডি আৰ এফৰ সামৰ্থ বৃদ্ধিত অৰিহণা যোগাব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয়, যে ৩০ অশ্ব ক্ষমতাৰ ইঞ্জিনৰ লগত লাইফ জেকেটসহ উদ্ধাৰ অভিযানত ব্যৱহৃত অত্যাধুনিক আহিলাৰে সমৃদ্ধি এনে ৰবৰ নাৱৰ জৰিয়তে এবাৰতে ৮-১০ গৰাকী লোকক উদ্ধাৰ কৰি নিৰাপদ স্থানলৈ আনিব পৰা যাব। উল্লেখযোগ্য যে অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে এতিয়ালৈকে ৩০১ খন দ্ৰুতবেগী যন্ত্ৰচালিত নাও এছ ডি আৰ এফলৈ আগবঢ়াইছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে ঘন কুঁৱলী  পৰাৰ আৰু মেঘালয়ৰ কেতবোৰ স্থানত বিজুলী-ঢেৰেকনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**সমাপ্ত**